বিশেষ আগ্ৰহ নেদেখুৱায়। ভাৰতৰ সকলো লোকে নিজৰ নিজৰ ৰুচি অনুযায়ী ধৰ্ম গ্ৰহণ, ধৰ্ম-চৰ্চা আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰে। ধৰ্মচৰ্চা বা ধৰ্ম প্ৰচাৰৰ কাৰ্যই সামাজিক বিশৃংখলতাৰ সৃষ্টি নকৰিলে চৰকাৰে তেনে কামত হস্তক্ষেপ নকৰে। ধৰ্মৰ ভিত্তিত ভাৰতীয় নাগৰিকৰ মাজত বৈষম্যৰ সৃষ্টি কৰাৰ ব্যৱস্থা নাই।

**ধৰ্মনিৰপেক্ষতাবাদ সম্পৰ্কে ধাৰণা** (Veiw about Secularism) : সংবিধান সভাৰ সদস্য কিছুমানে ধৰ্মনিৰপেক্ষতাৰ বিষয়ে নিজৰ নিজৰ ধাৰণা প্ৰকাশ কৰিছিল। পণ্ডিত লক্ষ্মীকান্ত মিশ্ৰৰ মতে ধৰ্মনিৰপেক্ষ ভাৰতত বিভিন্ন ধৰ্মৰ লোকৰ মাজত বৈষম্যৰ সৃষ্টি কৰাৰ ব্যৱস্থা নাই; ৰাষ্ট্ৰই কোনো ধৰ্মৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ নকৰে। ইয়াত সকলো ধৰ্মৰ লোকে নিজৰ ৰুচি অনুযায়ী ধৰ্ম গ্ৰহণ কৰিব পাৰে, ধৰ্মচৰ্চা কৰিব পাৰে আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰে। আয়েঙ্গাৰ, কামাথ, পানিকৰ আদিয়েও ধৰ্মনিৰপেক্ষতাবাদ সম্পৰ্কে এনে ধৰণৰ ধাৰণা প্ৰকাশ কৰিছিল। অধ্যাপক ৰছিদউদ্দিন খানৰ মতে আমাৰ সমাজত গ্ৰহণ কৰা ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শই ইয়াকে বুজায় যে ধৰ্ম হৈছে মানুহৰ এটা ব্যক্তিগত বিষয়; আমাৰ সমাজত ধৰ্মৰ ভিত্তিত মানুহৰ মাজত বৈষম্যৰ সৃষ্টি কৰাৰ ব্যৱস্থা নাই; আৰু দেশৰ সকলো লোকৰ মাজত ভাতৃভাবৰ প্ৰচলন থাকিব। অৰ্থাৎ ধৰ্মনিৰপেক্ষতাবাদক সমাজ পৰিবৰ্তনৰ এটা আহিলা হিচাবে আমাৰ দেশত গ্ৰহণ কৰা হৈছে।

**ধৰ্মনিৰপেক্ষতাবাদৰ সৃষ্টিত বাধা** (Impediment to its Growth) : ধৰ্মনিৰপেক্ষতাবাদকেই আমাৰ সমাজৰ ভেঁটি হিচাবে গ্ৰহণ কৰা হৈছিল যদিও, সময়ৰ সোঁতত এই ভেঁটি দুৰ্বল হৈ সৃষ্টি হোৱাৰ কাৰণসমূহ তলত আলোচনা কৰা হ'ল :

প্ৰথমতে, জাতীয়তাবাদী আদৰ্শই ধৰ্মনিৰপেক্ষতাবাদৰ প্ৰচাৰত সহায় কৰে, ইয়াৰ কাৰণে উপযুক্ত নেতৃত্বৰো প্ৰয়োজন। এই আদৰ্শই স্থায়ী হোৱাৰ আগতেই ধৰ্মনিৰপেক্ষতাবাদৰ পৃষ্ঠপোষক কিছুমান স্বৰ্গী হৈছিল। মহাত্মাগান্ধী এই আদৰ্শৰ প্ৰধান পৃষ্ঠপোষক আছিল। কিন্তু স্বাধীনতা লাভ কৰাৰ কিছুদিনৰ পিছতেই তেওঁ স্বৰ্গী হৈছিল। সেইদৰে মৌলানা আবুল কালাম আজাদ, জাকিৰ হুইছেন, শাস্ত্ৰী আদিৰ নিচিনা নেতাও বেছিদিন জীয়াই নাথাকিল। নেহৰুৱে এই আদৰ্শৰ পৃষ্ঠপোষকতা কৰিছিল যদিও, তেওঁ এই আদৰ্শক শক্তিশালী কৰিব পৰা নাছিল। শক্তিশালী নেতৃত্বৰ অভাৱত সেয়েহে এই আদৰ্শ স্থায়ী হোৱাত বাধাৰ সৃষ্টি হৈছিল।

দ্বিতীয়তে, নেহৰুৰ পিছত যি সকল ব্যক্তিয়ে দেশৰ নেতৃত্ব বহন কৰিছিল, তেওঁলোকে এই আদৰ্শৰ পথত থকা বাধাসমূহক আঁতৰ কৰাৰ উদ্দেশ্যে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব পৰা নাছিল। বৰং তেওঁলোকে ধৰ্মনিৰপেক্ষতাবাদৰ দোহাই দি ৰাজনৈতিক মুনাফা আদায় কৰিবলৈহে চেষ্টা কৰিছিল। ৰাজনীতিত এই সুবিধাবাদী ধাৰণাৰ সৃষ্টিয়ে ধৰ্মনিৰপেক্ষতাবাদৰ পৃষ্ঠপোষকসকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিছিল।

তৃতীয়তে, জনসাধাৰণৰ অৰ্থনৈতিক অনগ্ৰসৰতাকো এই আদৰ্শৰ এটা বাধা হিচাবে উল্লেখ কৰা হয়। আমাৰ দেশৰ শাসকসকলে পৃথিৱীত নতুন অৰ্থনৈতিক অৱস্থাৰ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব দিয়ে যদিও, নিজৰ দেশ অৰ্থনৈতিক অৱস্থাৰ কোনো উন্নতি কৰিব পৰা নাই। অভাৱ-অনাটনৰ মাজত জীৱন নিৰ্বাহ কৰিবলগা জনসাধাৰণক কোনো আদৰ্শই সন্তুষ্ট কৰিব নোৱাৰাটো একো অস্বাভাৱিক নহয়।

চতুৰ্থতে, ধৰ্মনিৰপেক্ষতাবাদক এটা ৰাজনৈতিক আদৰ্শ হিচাবে বিভিন্ন ৰাজনৈতিক দলে গ্ৰহণ কৰিছে যদিও, কোনো দল নাইবা নেতাই এই আদৰ্শক কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব

Scanned with CamScanner

কেথলিকসকলে তেওঁলোকৰ জীৱন-ধাৰণ পদ্ধতিত প্ৰটেষ্টাণ্টসকলৰ প্ৰভাৱক অস্বীকাৰ নকৰে। সেইদৰে আমাৰ দেশৰ সংখ্যালঘুসকলেও, সংখ্যাগুৰুসকলৰ আগত সহযোগিতাৰে বাস কৰিবলৈ চেষ্টা কৰা উচিত। ধৰ্মনিৰপেক্ষতাবাদ শক্তিশালী কৰাৰ উদ্দেশ্যে দেশৰ বিভিন্ন গোষ্ঠীৰ লোকৰ মাজত একে ধৰণৰ দেৱানী আইনৰ প্ৰচলন থকা উচিত। কিন্তু সংখ্যালঘুসকলৰ বিৰোধিতাৰ কাৰণে এইবোৰ সম্ভৱ হোৱা নাই। স্মিথ (Smith)-ৰ মতে ক'বলৈ হ'লে ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ শক্তিশালী কৰাৰ উদ্দেশ্যে সংখ্যালঘুসকলেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা উচিত।

ওপৰৰ আলোচনাৰ পৰা সিদ্ধান্তলৈ আহিব পাৰি যে আমাৰ দেশত ধৰ্মনিৰপেক্ষতাবাদক এটা আদৰ্শ হিচাবে গ্ৰহণ কৰা হৈছে যদিও, ওপৰত উল্লেখ কৰা বিভিন্ন কাৰণত এই আদৰ্শ কাৰ্যকৰী হোৱা নাই।

## প্ৰশ্নাৱলী

১। জাতি কাক বোলে? সামাজিক বিষয়ত জাতি প্ৰথাৰ ৰক্ষণশীলতা কমি যোৱাৰ কাৰণবোৰ উল্লেখ কৰা।
What is meant by Caste ? Mention the causes of removing conservation on the basis of Caste.

২। ভাৰতৰ ৰাজনীতিত জাতিৰ ভূমিকা ব্যাখ্যা কৰা। (Explain the role of Caste in the politics of India.) [G.U. 2006 (Gen.) 2007 (M), D.U. 2005, 2007 (M)]

৩। ৰাজ্যৰ ৰাজনীতিত জাতিৰ ভূমিকা ব্যাখ্যা কৰা।
Explain the role of Caste in State Politics.

৪। জাতি-বিৰোধৰ কাৰণবোৰ আলোচনা কৰা। (Discuss the causes of Caste-conflict.)

৫। সাম্প্ৰদায়িকতাবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।
Examine the relations between Communalism and Secularism.

৬। সাম্প্ৰদায়িকতাবাদৰ সৃষ্টিৰ কাৰণবোৰ ব্যাখ্যা কৰা। [G.U. 2008 (G)]
Explain the causes of the growth of Communalism.

৭। সাম্প্ৰদায়িকতাবাদ নিৰ্মূল কৰাৰ কাৰণে পৰামৰ্শ দিয়া।
Suggest the means for removing Communalism.

৮। আঞ্চলিকতাবাদৰ অৰ্থ ব্যাখ্যা কৰা আৰু ইয়াৰ প্ৰকৃতি উল্লেখ কৰা।
Explain the meaning of Regionalism and point out its nature.

৯। আঞ্চলিকতাবাদ কি? ভাৰতত আঞ্চলিকতাবাদ গঢ়ি উঠাৰ কাৰণসমূহ ব্যাখ্যা কৰা। [D.U. 2014(Ger
What is regionalism? Explain the causes of the growth of Indian regionali

১০। ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ স্থিতি ব্যাখ্যা কৰা।
Explain the status of Regionalism in Indian Politics. [G.U. 2007(Gen.)&(M

১১। আঞ্চলিকতাবাদৰ উৎপত্তিৰ কাৰণবোৰ আলোচনা কৰা।
Discuss the causes of growth of Regionalism. [G.U. 2006

১২। আঞ্চলিকতাবাদক বাধা দিয়া উপায়সমূহ ব্যাখ্যা কৰা।
Explain the means for checking Regionalism.

Scanned with CamScanner

জনসাধাৰণক সমান চকুৰে চাব লাগে। ... জনসাধাৰণৰ আস্থাভাজন হোৱা উচিত।
লাগে। ৰাজনৈতিক দলবিলাক সকলো সম্প্ৰদায়ৰ জনসাধাৰণৰ আস্থাভাজন হোৱা উচিত।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ভাৰতবৰ্ষৰ বাবে সাম্প্ৰদায়িকতাবাদেই হ'ল আটাইতকৈ ডাঙৰ শত্ৰু । ভাৰতবাসীয়ে এনে এটা পৰিবেশৰ সৃষ্টি কৰিব লাগিব যাতে সকলো সম্প্ৰদায়ৰ মানুহে শান্তিত বসবাস কৰিব পাৰে। সাম্প্ৰদায়িকতাবাদে আমাৰ প্ৰগতিৰ ক্ষেত্ৰত বাধা জন্মাব পাৰে। এই প্ৰসঙ্গত ভূতপূৰ্ব ৰাষ্ট্ৰপতি জাইল সিঙে কৈছে, "In a multi-religious society like ours, Communalism could block all progress."

## (চ) ধৰ্মনিৰপেক্ষতাবাদ আৰু ভাৰতবৰ্ষ
## [ SECULARISM IN INDIA ]

ভাৰতবৰ্ষ এখন ডাঙৰ দেশ; ইয়াত বিভিন্ন জাতি-উপজাতি আৰু ধৰ্মৰ লোক বাস কৰে। সেয়েহে ধৰ্মনিৰপেক্ষতাকে আমাৰ দেশৰ শাসন ব্যৱস্থাৰ ভেঁটি হিচাবে গ্ৰহণ কৰা হৈছে। নেহৰুৰ মতে ধৰ্মনিৰপেক্ষ ভাৰতত কোনো ধৰ্ম নথকাটো নুবুজায়। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰ আৰু ধৰ্মক বেলেগ কৰি সকলো ধৰ্মকে সমান হিচাবে গ্ৰহণ কৰা হৈছে। অৰ্থাৎ ৰাজনীতিয়ে ধৰ্মৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা আৰু ধৰ্মই ৰাজনীতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা নীতি তেওঁ সমৰ্থন কৰা নাছিল। ৰাজনীতি আৰু ধৰ্ম হৈছে আমাৰ দেশৰ সামাজিক জীৱনৰ দুটা বেলেগ দিশ।

সংবিধানৰ ৪২-নং সংশোধনী আইন গ্ৰহণ নকৰালৈ আমাৰ দেশৰ সংবিধানত ধৰ্মনিৰপেক্ষতাবাদ শব্দ ব্যৱহাৰ কৰা হোৱা নাছিল। ওপৰত উল্লেখ কৰা সংশোধনী আইনৰ জৰিয়তে প্ৰস্তাৱনাত ধৰ্মনিৰপেক্ষতাবাদ শব্দটো অন্তৰ্ভুক্ত কৰা হৈছে। তথাপিও ধৰ্মনিৰপেক্ষতাবাদকেই যে আমাৰ শাসন ব্যৱস্থাৰ এটা বৈশিষ্ট্য হিচাবে গ্ৰহণ কৰা হৈছে, ধৰ্মীয় অধিকাৰৰ পৰাই ইয়াৰ স্পষ্ট আভাস পোৱা যায়। সংবিধান মতে ৰাষ্ট্ৰই কোনো ধৰ্মৰ প্ৰতি

Scanned with CamScanner

দিয়া নাই। নির্বাচনত জয়লাভ কৰাৰ উদ্দেশ্যে ৰাজনৈতিক দল আৰু নেতাসকলে ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শক বাদ দিবলৈ কেতিয়াও ইতস্ততঃ নকৰে। ৰাজনীতিত সুবিধাবাদী নীতি গ্ৰহণ কৰাৰ ফলতো এই আদৰ্শ স্থায়ী হোৱাত বাধাৰ সৃষ্টি হোৱা বুলি ক'ব পাৰি।

পঞ্চমতে, আমাৰ দেশৰ বুদ্ধিজীৱিসকলে গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ আদৰ্শত নতুন সমাজ সৃষ্টি কৰিব বুলি আশা কৰা হৈছিল। কিন্তু চৰকাৰী যন্ত্ৰই এই শ্ৰেণীৰ লোকক ৰাজনৈতিক উদ্দেশ্য সাধনত নিয়োগ কৰাৰ ফলত দেশৰ ৰাজনৈতিক পৰিৱেশত এই শ্ৰেণীৰ লোক ক্ৰমান্বয়ে গুৰুত্বহীন হৈ আহিছে। দেশৰ সামাজিক শৈক্ষিক, ৰাজনৈতিক আৰু নৈতিক জীৱনত বুদ্ধিজীৱিসকলৰ ভূমিকা ক্ৰমান্বয়ে কমি আহিছে। ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ শক্তিশালী হোৱাৰ পথত ইয়াকো এটা বাধা হিচাবে বিবেচনা কৰা হয়।

ষষ্ঠতে, আমাৰ দেশৰ অধিক সংখ্যক লোকেই প্ৰচলিত ৰীতি-নীতি আৰু ধৰ্মীয় নীতি-নিয়ম নিষ্ঠাৰে মানি চলে। নতুন ধাৰণা আৰু আদৰ্শ গ্ৰহণ কৰিবলৈ তেওঁলোক সাধাৰণতে ইচ্ছুক নহয়। ইয়াৰ ফলত ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ শক্তিশালী কৰাটো সম্ভৱ হোৱা নাই। বেইগ (Baig)-ৰ মতে আমাৰ দেশৰ জনসাধাৰণৰ ওপৰত ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ জাপি দিয়া হৈছে, তেওঁলোকে ইচ্ছা কৰি ইয়াক গ্ৰহণ কৰা নাই। এই আদৰ্শ জনসাধাৰণৰ মাজত জাপি দি ইয়াক শক্তিশালী কৰিবলৈ চেষ্টা কৰা কাৰ্যক সিজোৱা কণীৰ পৰা অমলেট্ তৈয়াৰ কৰিবলৈ চেষ্টা কৰা কাৰ্যৰ লগত তুলনা কৰিব পাৰি।

সপ্তমতে, আমাৰ দেশৰ জনসাধাৰণৰ মাজত থকা অৰ্থনৈতিক বৈষম্যইও ধৰ্মনিৰপেক্ষতা-বাদী আদৰ্শ শক্তিশালী কৰাত বাধাৰ সৃষ্টি কৰা বুলি ক'ব পাৰি। চৰকাৰী কৰ্মচাৰী, উদ্যোগপতি, ব্যৱসায়িক গোষ্ঠী আৰু সামন্তবাদী নেতাসকলে লাহবিলাকত জীৱন নিৰ্বাহ কৰে। আনহাতে শ্ৰমজীৱি জনতাই দিনটো কঠোৰ পৰিশ্ৰম কৰিও নিজৰ প্ৰয়োজনৰ জোখাৰে সামগ্ৰী নাপায়। সামাজিক আৰু অৰ্থনৈতিক সমতাৰ ওপৰত গুৰুত্ব দি আমাৰ সমাজত এনে ভিন্ন মানদণ্ডই একতা, সংহতি আৰু ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ শক্তিশালী কৰাত বাধাৰ সৃষ্টি কৰে।

অষ্টমতে, আমাৰ দেশত ধৰ্মনিৰপেক্ষতাবাদ শক্তিশালী নোহোৱাৰ কাৰণে শিক্ষাপদ্ধতিকো জগৰীয়া কৰিব পাৰি। আমাৰ দেশৰ শিক্ষানুষ্ঠানসমূহে ধৰ্মনিৰপেক্ষতাবাদৰ সৃষ্টি কৰাত বৰঙণি যোগাব পৰা নাই। সেইদৰে শিক্ষকসকলেও এই আদৰ্শক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পৰা নাই।

নৱমতে, সাম্প্ৰদায়িকতাবাদী ধাৰণাৰ সৃষ্টিকো ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ শক্তিশালী হোৱাৰ এটা বাধা হিচাবে উল্লেখ কৰিব পাৰি। সংবিধান সভাৰ সদস্যসকলে সাম্প্ৰদায়িকতাবাদ নাইকিয়া হ'ব বুলি আশা কৰিছিল যদিও, এই ধাৰণা নাইকিয়া হোৱা নাই। সাম্প্ৰদায়িকতাবাদী আদৰ্শই ভাৰত বিভাজনৰ সৃষ্টি কৰিছিল। এতিয়া আমাৰ দেশৰ নাগৰিকসকলৰ মাজৰ পৰা এই ধাৰণা আঁতৰ হোৱা নাই। ক্ষমতা লাভৰ কাৰণে ৰাজনৈতিক দল আৰু নেতাসকলেও সাম্প্ৰদায়িক শক্তিৰ লগত হাত মিলোৱা দেখা যায়। এনে পৰিস্থিতিত ধৰ্মনিৰপেক্ষতাবাদ শক্তিশালী নোহোৱাত আচৰিত হ'বলগা নাই।

শেষত, ধৰ্মনিৰপেক্ষতাবাদী আদৰ্শ দুৰ্বল হোৱাৰ কাৰণে সংখ্যালঘিষ্ঠসকলৰো ভূমিকাও থকা নহয়। অধ্যাপক ডাম (H. N. Dam)-ৰ মতে ক'বলৈ হ'লে প্ৰত্যেক দেশৰ সংখ্যালঘিষ্ঠসকলে ংখ্যাগৰিষ্ঠৰ পৰিবেশৰ লগত নিজকে খাপ্ খুৱায়। উদাহৰণস্বৰূপে আমেৰিকাৰ ৰোমান